# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-10-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত আৰু আলজেৰিয়াৰ মাজৰ অৰ্থনৈতিক সহযোগিতা ত্বৰান্বিত কৰিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা নতুন দিল্লীৰ ভাৰত মন্দপমত আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ, আই টি ইউৰ বিশ্ব দূৰসংযোগ মানক সন্মিলন ২০২৪ মুকলি কৰিব।

৩। জম্মু-কাশ্মীৰত উপ ৰাজ্যপাল মনোজ সিনহাই নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাক নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে।

৪। নাছাই মহাকাশ অভিযানৰ বাবে নিৰ্মাণ কৰা সৰ্ববৃহৎ মহাকাশ যান ইউৰোপা ক্লিপাৰ সফলতাৰে উৎক্ষেপন কৰিছে।

*আৰু*

৫। নিউজিলেণ্ডে মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ পৰা দ্বিতীয়টো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত আৰু আলজেৰিয়াৰ মাজৰ অৰ্থনৈতিক সহযোগিতা ত্বৰান্বিত কৰিবলৈ আহ্বান জনাইছে। আলজেৰিয়াৰ ৰাজধানী চহৰ আলজিয়াৰ্ছত উভয় দেশৰ অৰ্থনৈতিক মঞ্চক সম্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ লগতে সহযোগিতাৰ নতুন যুগক নতুন গতি প্ৰদান কৰাৰ প্ৰয়োজনীতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতিগৰাকী সম্প্ৰতি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ অংশহিচাপে ৰাজধানী চহৰখনত আছে।

ভ্ৰমণসূচীৰ দ্বিতীয় খেপত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু কাইলৈ মৰিটানিয়ালৈ ৰাওনা হ'ব। তাৰপাছত ৰাষ্ট্ৰপতিগৰাকীয়ে ১৭ৰ পৰা ১৯ অক্টোবৰলৈ মালাৱি ভ্ৰমণ কৰিব। এই দেশকেইখন ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতিগৰাকীয়ে শীৰ্ষ নেতা আৰু বাণিজ্য তথা উদ্যোগ জগতৰ কাণ্ডাৰীসকলক সাক্ষাৎ কৰাৰ কথা আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে তাত বসবাস কৰা ভাৰতীয় লোকসকলৰ সৈতেও মত বিনিময় কৰিব। আফ্ৰিকাৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্কক অধিক সম্প্ৰসাৰণ কৰাৰ লগতে সুদৃঢ় কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা নতুন দিল্লীৰ ভাৰত মন্দপমত আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ, আই টি ইউৰ বিশ্ব দূৰসংযোগ মানক সন্মিলন ২০২৪ মুকলি কৰিব। শ্ৰীমোদীয়ে লগতে ভাৰত মোবাইল কংগ্ৰেছৰ অষ্টম সংস্কৰণো উন্মোচন কৰিব। বিশ্ব দূৰসংযোগ মানক সন্মিলন হ'ল ৰাষ্ট্ৰসংঘৰ ডিজিটেল প্ৰযুক্তি সংস্থা আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘৰ কামৰ মান অধিক উন্নত কৰাৰ বাবে প্ৰতি ৪ বছৰৰ মূৰত আয়োজিত প্ৰশাসনীয় সন্মিলন। এইবেলি প্ৰথমবাৰৰ বাবে এই সন্মিলন ভাৰত তথা এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আয়োজন কৰা হৈছে। সন্মিলনত ১৯০ খনতকৈও অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

ইপিনে, চলিত বৰ্ষৰ ভাৰত মোবাইল কংগ্ৰেছত ১২০ খনতকৈও অধিক দেশে অংশগ্ৰহণ কৰিব। ইয়াত ৪০০ গৰাকীতকৈও অধিক প্ৰদৰ্শনকাৰী আৰু প্ৰায় ৯০০টা ষ্টাৰ্ট আপে ভাগ ল'ব। অনুষ্ঠানত ৬০০ গৰাকীতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু ভাৰতীয় বক্তাই বিভিন্ন বিষয় লৈ আলোচনা কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি স্বামী সমৰ্থৰ এটা স্মাৰক গ্ৰহণ কৰে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে সমাজৰ বাবে থকা স্বামী সমৰ্থৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে সদায় কাম কৰি যাব।

০০০০০

জম্মু-কাশ্মীৰত উপ ৰাজ্যপাল মনোজ সিনহাই নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাক নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে। জম্মু-কাশ্মীৰ প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতা ড০ ফাৰুক আব্দুল্লা তথা অন্যান্য সদস্য, আম আদমী পাৰ্টী, চি পি আই এম আৰু ভালেকেইগৰাকী নিৰ্দলীয় বিধায়ককে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাই সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰাৰ পাছত উপৰাজ্যপালগৰাকীয়ে এই আমন্ত্ৰণ জনায়। উপ ৰাজ্যপালগৰাকীয়ে কাইলৈ পুৱা চাৰে ১১ বজাত শ্ৰীনগৰৰ এছ কে আই চি চিত নেতাগৰাকীক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব বুলি উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় পথ, পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি নতুন দিল্লীত আধ্যাত্মিক গুৰুমাতা নিৰ্মলা দেৱীৰ জন্মশতবাৰ্ষিকী উদযাপনৰ সৈতে সংগতি ৰাখি এটা স্মাৰক মুদ্ৰা মুকলি কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীগাডকাৰীয়ে কয় যে, ভাৰতৰ সংস্কৃতি আৰু ঐতিহ্যই সদায়েই বিশ্বক আকৰ্ষণ কৰি আহিছে। মাতা নিৰ্মলা দেৱীৰ মহান কৰ্মৰাজিৰ বিষয়ে উল্লেখ কৰি শ্ৰীগাডকাৰীয়ে কয় যে, তেওঁ মানৱতাক ইতিবাচক দিশ প্ৰদান কৰিছে। অনুষ্ঠানত ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সঞ্চালক ডং ভি আৰ মনিকে ধৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি অংশগ্ৰহণ কৰে।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে চাংহাই সহযোগিতা সংস্থা SCOৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি ইছলামবাদলৈ ৰাওনা হ'ব। ভ্ৰমণৰ পূৰ্বে বিদেশ পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বহুপক্ষীয় আলোচনাৰ বাবেহে তেওঁ পাকিস্তান ভ্ৰমণ কৰিব আৰু ইয়াৰ পূৰ্বে পাকিস্তানৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হবলৈ তেঁও অমান্তি হৈছিল। বিগত ৯ বছৰৰ ভিতৰত চুবুৰীয়া ৰাষ্ট্ৰখনলৈ কোনো এজন ভাৰতীয় বিদেশ পৰিক্ৰমা মন্ত্ৰীৰ এয়া হ'ব প্ৰথমটো উচ্চ পৰ্যায়ৰ ভ্ৰমণ।

চাংহাই সহযোগিতা সংস্থা এটা স্থায়ী আন্তঃৰাষ্ট্ৰীয় সংস্থা। ভাৰত, ইৰাণ, কাজাখস্তান, চীন, কিৰ্গিস্তান, পাকিস্তান, ৰাছিয়া, তাজিকিস্তান, আৰু উজবেকিস্তানক সদস্যৰাষ্ট্ৰ হিচাপে লৈ গঠিত এছচিঅ'ই সদস্য ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক বিশ্বাস শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে আৰু ৰাজনীতি, বাণিজ্য, অৰ্থনীতি, গৱেষণা, প্ৰযুক্তি, সংস্কৃতি আদি ক্ষেত্ৰত তেওঁলোকৰ ফলপ্ৰসূ সহযোগিতাক প্ৰসাৰিত কৰে।

00000

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

00000

নাছাই মহাকাশ অভিযানৰ বাবে নিৰ্মাণ কৰা সৰ্ববৃহৎ মহাকাশ যান ইউৰোপা ক্লিপাৰ সফলতাৰে উৎক্ষেপন কৰিছে। বৃহস্পতি গ্ৰহৰ উপগ্ৰহ ইউৰোপাত অভিযান চলাব এই মহাকাশযানখনে। ৫ বছৰ ৬ মাহত ২ দশমিক ৯ বিলিয়ন কিলোমিটাৰ যাত্ৰা কৰি সৌৰশক্তিচালিত যানখনে ২০৩০ চনত বৃহস্পতি গ্ৰহৰ কক্ষপক্ষত প্ৰৱেশ কৰিব। বৃহস্পতিগ্ৰহৰ উপগ্ৰহৰ নামেৰে মহাকাশ যানখনৰ নামকৰণ কৰা হৈছে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰশিক্ষণৰত বিষয়াসকলৰ সৈতে মত বিনিময় কৰিব। বৈঠকৰ সময়ত নৱনিযুক্ত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াসকলে গৃহমন্ত্ৰীগৰাকীৰ সৈতে প্ৰশিক্ষণকালৰ অভিজ্ঞতা ভাগ-বতৰা কৰিব। দেশৰ আভ্যন্তৰীণ নিৰাপত্তাৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ বিষয়াসকলে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ পৰা পৰামৰ্শ লাভ কৰাৰ সম্ভাৱনা আছে। ভাৰতীয় আৰক্ষী সেৱাত ২০২৩ চনত নিযুক্তিপ্ৰাপ্ত ৫৪ গৰাকী মহিলা বিষয়াসহ মুঠ ১৮৮ গৰাকী প্ৰশিক্ষাৰ্থী বিষয়াই মৌলিক পাঠ্যক্ৰম প্ৰশিক্ষণৰ ১নং স্তৰ সম্পূৰ্ণ কৰিছে। দিল্লীত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী চিএপিএফ আৰু কেন্দ্ৰীয় আৰক্ষী সংগঠন CPOৰ তত্বাৱধানত দুসপ্তাহজোৰা প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থী বিষয়াসকলক এতিয়া ২৯ সপ্তাহৰ বাবে জিলাভিত্তিক ব্যৱহাৰিক প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰা হ'ব।

00000

ভাৰত আৰু কলম্বিয়াৰ মাজত আজি নতুন দিল্লীত দৃশ্য-শ্ৰাব্য সহ প্ৰযোজনা চুক্তি স্বাক্ষৰিত হ'ব। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড° এল মুৰুগানে ভাৰতৰ প্ৰতিনিধি হিচাপে আৰু কলম্বিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ উপ মন্ত্ৰী জৰ্জ এন্ড্ৰিকক ৰোজাছ ৰড্ৰিগেজে দেশখনৰ প্ৰতিনিধি হিচাপে এই চুক্তিত স্বাক্ষৰ কৰিব।

এই চুক্তিয়ে উভয় দেশৰ প্ৰযোজকসকলক সহ প্ৰযোজনাৰ বাবে তেওঁলোকৰ সৃষ্টিশীল, কলাত্মক, কাৰিকৰী, আৰ্থিক আৰু বিপণন উৎসসমূহ বিনিময় কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। এই চুক্তিৰ জৰিয়তে ভাৰত আৰু কলম্বিয়াৰ মাজত কলা আৰু সংস্কৃতিৰো বিনিময় কৰা হ'ব। এই চুক্তিয়ে উভয় দেশৰ জনসাধাৰণৰ মাজত সদিচ্ছা বৃদ্ধি কৰিব আৰু পাৰস্পৰিক বুজাবুজি ত্বৰান্বিত কৰিব। ইয়াৰ ফলত দেশ দুখনৰ মাজৰ সাংস্কৃতিক বান্ধোন

অধিক শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে। ভাৰতৰ সৈতে সম্প্ৰতি ১৬ খন দেশৰ সহ প্ৰযোজনা চুক্তি আছে। ইয়াৰ ফলত শেহতীয়া ৫টা বছৰত ২৯টা প্ৰকল্প মুকলি কৰা হৈছে। কলম্বিয়া হ'ল ভাৰতে সহ প্ৰযোজনা চুক্তি স্বাক্ষৰ কৰা ১৭ সংখ্যক দেশ।

ooooo

লেবাননত হিজবুল্লাহৰ বিৰুদ্ধে ইজৰাইলৰ আক্ৰমণ অব্যাহত আছে। উত্তৰ লেবাননত ইজৰাইলৰ বিমান আক্ৰমণত কালি কমেও ২১ জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি লেবাননত ইজৰাইলৰ সামৰিক অভিযানৰ মূল লক্ষ্য হৈছে দক্ষিণ লেবানন, পূবৰ বেকা উপত্যকা আৰু বেইৰুটৰ উপকণ্ঠ অঞ্চল। ইজৰাইলৰ সামৰিক ঘাটিত হিজবুল্লাহৰ ড্ৰ'ন আক্ৰমণৰ প্ৰতিশোধ হিচাপে ইজৰাইলী সেনাই প্ৰত্যাক্ৰমণ অব্যাহত ৰাখিছে। ইফালে ইজৰাইলী সেনাই দাবী কৰা মতে, দক্ষিণ লেবাননত হিজবুল্লাহে নিৰ্মাণ কৰা ৮০০ মিটাৰ দৈৰ্ঘ্যৰ এটা সুৰংগত ক্ষেপণাস্ত্ৰ, মটৰ চাইকেল আৰু খাদ্য সামগ্ৰী মজুত কৰা হৈছে। সম্প্ৰতি ইজৰাইলে দক্ষিণ লেবাননৰ ২৫ খন গাঁৱৰ বাসিন্দাক ইজৰাইল সীমান্তৰ পৰা প্ৰায় ৬০ কিলোমিটাৰ উত্তৰ দিশত বৈ যোৱা আৱালী নদীৰ উত্তৰ অঞ্চললৈ স্থানান্তৰিত হ'বলৈ নিৰ্দেশ প্ৰদান কৰিছে।

ooooo

নিউজিলেণ্ডে মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ পৰা দ্বিতীয়টো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে যোৱানিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাকিস্তানক ৫৪ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১১০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ১১ অভাৰ আৰু চাৰিটা বলত মাত্ৰ ৫৬ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱায়।

ইপিনে, কালিৰ খেলখনত নিউজিলেণ্ড জয়ী হোৱা বাবে ভাৰত প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। ৪ খনৰ ভিতৰত দুখনত জয় লাভ কৰা ভাৰতে ৪ পইণ্ট সংগ্ৰহ কৰি গ্ৰুপ-এৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত থাকে। ভাৰতে গ্ৰুপ পৰ্যায়ত শ্ৰীলংকা আৰু পাকিস্তানৰ বিৰুদ্ধে জয় লাভ কৰিছিল যদিও প্ৰতিযোগিতাৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ৫৮ ৰানত আৰু দেওবাৰে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাজিত হৈছিল। গ্ৰুপ-এত চাৰিওখন খেলত জয়লাভ কৰা অষ্ট্ৰেলিয়াই ৮ পইণ্ট আৰু তিনিখন খেলত জয়লাভ কৰা নিউজিলেণ্ডে ৬ পইণ্ট অৰ্জন কৰে।

ooooo

**সমাপ্ত**